CAREERINDIA

SET – 4

Series : TYM/C

Code No. **15**

Roll No.

Candidates must write the Code on the title page of the answer-book.

- Please check that this question paper contains **7** printed pages.
- Code number given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **12** questions.
- **Please write down the Serial Number of the question before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া
# ASSAMESE

*সময় : 3 ঘন্টা*
*Time allowed : 3 Hours*

*সৰ্বমুঠ নম্বৰ : 80*
*Maximum Marks : 80*

***General Instructions :***

The question paper is divided into four sections :

| | |
|---|---|
| SECTION A : Reading (Comprehension) | 15 marks |
| SECTION B : Writing | 25 marks |
| SECTION C : Grammar | 15 marks |
| SECTION D : Literature | 25 marks |

www.careerindia.com

CAREERINDIA

## SECTION – A

1. তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা –

মানুহে নিত্য নতুন আৱিষ্কাৰেৰে দৈনন্দিন জীৱনক আধুনিকতৰ কৰি গৈ আছে । তথাপি মানৱ জীৱনৰ পৰা সমস্যা আঁতৰ হোৱা নাই । দিনৌ নতুন নতুন সমস্যাই মানুহক আৱৰি ধৰে । সেই সমস্যাবোৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক বিভিন্ন দিশত সৃষ্টি হ'ব পাৰে । অসমৰ জনজীৱনত এনে এটি সমস্যা আছে যাক সমাধান কৰাৰ সু-পৰিকল্পিত ব্যৱস্থা এটা মানুহে কৰিব পৰা নাই । সেই সমস্যাটো হ'ল বছৰে বছৰে হোৱা প্ৰলয়ংকাৰী বানপানী ।

প্ৰকৃতিক জয় কৰাৰ অদম্য হেপাঁহ মানুহে মনত পুহি ৰাখিছে । সময়ে সময়ে প্ৰকৃতিৰ লগত বন্ধুত্ব কৰিছে । তথাপি মানুহ সদায় প্ৰকৃতিৰ অধীন । অসমৰ মুখ্য নদী ব্ৰহ্মপুত্ৰ আৰু বৰাক । ইয়াৰ কেবাখনো উপনৈ আছে । বাৰিষা কালত এই নৈসমূহৰ পানী ফেনে-ফোটোকাৰে বাঢ়ি অসমৰ বিস্তীৰ্ণ অঞ্চল জলমগ্ন কৰি তোলে । এইদৰে বছৰৰ পাছত বছৰ বানপানীয়ে অসমৰ জনসাধাৰণক জুৰুলা কৰি আহিছে ।

গ্ৰীষ্মকালত অসমত মৌচুমী বায়ুৰ প্ৰভাবত প্ৰবল বৰষুণ হয় । একে সময়তে অসমলৈ তিনিটা দিশৰ পৰা মৌচুমী বতাহ বলে । অসমৰ উত্তৰ-পূব আৰু দক্ষিণফালে পৰ্বতেৰে আওৰা । গতিকে অসমত প্ৰৱেশ কৰা মৌচুমী বায়ুৱে বাহিৰলৈ যাবলৈ বাট নেপাই অসমৰ আকাশতে বৰষুণ হৈ মুষলধাৰে তললৈ নামি আহে । ইফালে গিৰিৰাজ হিমালয়ৰ শুভ্ৰ বৰফবোৰো প্ৰখৰ ৰ'দত গলিবলৈ ধৰে । বৰফগলা পানী আৰু বৰষুণৰ পানীৰে অসমৰ নদ-নদী উপচি পৰে । এটা সময়ত নদীৰ আৱদ্ধতা অতিক্ৰম কৰি পাৰ ভাঙি বৈ আহে পানীৰ বিশাল পৰিধি । আবাসিক অঞ্চল, খেতিপথাৰ পানীৰ তলত বুৰ গৈ মানুহৰ আলৈ-আহুকালৰ সীমা নোহোৱা হয় ।

যোৱা কেইটামান দশকৰ পৰাহে অসমত বানপানীৰ সমস্যা ইমান ভয়ংকৰ হৈ পৰিছে । ১৯৫০ চনত অসমত হোৱা প্ৰৱল ভূমিকম্পৰ পাছৰে পৰা অসমৰ নদীবোৰ তৰাং হৈ গ'ল বুলি কোৱা হয় । ইয়াৰ উপৰিও বছৰ বছৰ ধৰি পৰ্বত-পাহাৰৰ ওপৰৰ পৰা পানীয়ে লগত লৈ অনা মাটিভাগ নদীৰ বুকুত ৰৈ যায় । জন বিস্ফোৰণৰ ফলত ভূ-ভাগত অধিক হেঁচা পৰিছে । বৰ্দ্ধিত আবাসিক অঞ্চলৰ পৰা ওলোৱা আৱৰ্জনাৰ দমবোৰ নদ-নদীৰ পাৰত বা পানী ভাগতে পেলাই দিয়া দেখা যায় । ফলত নদীৰ পানী প্ৰদূষিত হোৱাৰ লগতে বাম হৈ পৰিছে । স্বাভাৱিকতে এনেদৰে দিনে দিনে অসমত বানপানীৰ প্ৰকোপ বৃদ্ধি হৈ গৈছে ।

www.careerindia.com

CAREERINDIA

অসমত শালিখেতিৰ ভৰপক হোৱাৰ সময়তে বানপানীৰ বতৰ । দুখীয়া কৃষকৰ বুকুত কুঠাৰ মাৰে বানপানীয়ে । ব্ৰহ্মপুত্ৰৰ বানে তাৰ দাঁতি-কাষৰীয়া বহু খেতি পথাৰ বালিচৰত পৰিণত কৰিছে । পলসৰ পৰিৱৰ্তে বালিয়ে কৃষিৰ মাটি অনুপযোগী কৰি তোলে । বানপানীৰ লগে লগে আৰ□□□ হোৱা গৰাখহনীয়াত গাঁও-ভূঁই, খেতিপথাৰ আদি নদীৰ বুকুত বিলীন হৈ যায় । বানপানীৰ সময়ত মানুহে ঘৰ-দুৱাৰ এৰি কোনোবা ওখ ঠাইত আশ্ৰয় লয়গৈ । ঘৰচীয়া, বনৰীয়া জীৱ-জন্তুৰ বহুতৰ মৃত্যু হয় বা পানীত উটি যায় । শস্যৰ ভঁড়াল পানীত ডুব যায় ।

বানৰ পানী শুকুৱাৰ পাছত বানপানীয়ে এৰি যোৱা আৱৰ্জনাই পৰিৱেশ দূষিত কৰে । মানুহৰ লগতে জীৱ-জন্তুৰো নানা ধৰণৰ বেমাৰ-আজাৰ হয় । অনাহাৰ অনিদ্ৰাৰে থাকিও বহুতৰ মৃত্যু হয় ।

অৱশ্যে বানপানীয়ে পলস পেলাই যোৱা মাটি সাৰুৱা হয় আৰু তাত শস্য নদন-বদন হয় । বাও-ধানৰ দৰে খেতিত পাতলীয়া বানপানীয়ে উপকাৰহে কৰে । কেতিয়াবা ভূ-ভাগত গোট খোৱা আৱৰ্জনা ধুই নিকা কৰি দিয়ে । কিন্তু এইখিনি মাত্ৰ উপকাৰৰ বাবে বানপানী কাৰো কাম্য হ'ব নোৱাৰে ।

আমেৰিকাই সৰ্বধ্বংসকাৰী টেনেচি নদীৰ ভয়াবহতা বশীভূত কৰিলে । চীনৰ দুখ বুলি পৰিচিত হোৱাংহো । নদীক নিয়ন্ত্ৰণ কৰি মানুহৰ উপকাৰত লগাইছে । কিন্তু অসমত এই সমস্যা সমাধানৰ বাবে বিশেষ ব্যৱস্থা লোৱা হোৱা নাই । ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ গতি নিয়ন্ত্ৰণ কৰি জলবিদ্যুৎ উৎপাদন কৰিব পাৰিলে অসমত বহু উপকাৰ সাধন হ'ব । ভূমিস্খলনৰ ৰোধৰ বাবে গছ-গছনি ৰোপণ উত্তম উপায় । এই সমস্যা সমাধান কৰিব পাৰিলেহে অসমৰ সমাজনীতি, অৰ্থনীতিলৈ পৰিৱৰ্তন আনিব পৰা যাব ।

(i) মানৱ জীৱনৰ কোন কেইটা দিশত সমস্যাৰ সৃষ্টি হয় ? অসমৰ জনজীৱনৰ প্ৰধান সমস্যা কি ? **2**

(ii) মৌচুমী বায়ুৱে অসমত কিদৰে প্ৰভাৱ পেলায় ? **2**

(iii) অসমত বাণপানীৰ সমস্যাই ভয়ংকৰ ৰূপ ধৰাৰ কাৰণ কি ? **2**

(iv) বানপানীয়ে খেতিপথাৰ সমূহৰ কেনেদৰে অনিষ্ট কৰে ? **2**

(v) বানপানী শুকুৱাৰ পাছত কি কি সমস্যাই দেখা দিয়ে ? **2**

(vi) অসমত বানপানীৰ সমস্যা সমাধানৰ ক্ষেত্ৰত কেনে ব্যৱস্থা ল'ব পাৰি বুলি তুমি ভাবা ? **2**

(vii) "পানী"ৰ সমাৰ্থক শব্দ এটা লিখা । **1**

(viii) বিপৰীতাৰ্থক শব্দ লিখা – "তৰাং" **1**

(ix) অনুচ্ছেদটোত "অতি" উপসৰ্গ লগ লাগি থকা শব্দ এটা লিখা । **1**

www.careerindia.com

CAREERINDIA

## SECTION – B

2. (ক) তলত দিয়া সংকেত বাক্যৰ সহায়ত এটা গল্প লিখা । গল্পটোৰ শিৰোনামা আৰু নীতিশিক্ষা লিখিবা । **2 + 8 + 2 = 12**

বৰুৱা ককা গাৱঁৰ সন্মানীয় ব্যক্তি – হৰেশ্বৰৰ ল'ৰাৰ বিয়ালৈ ককাক নিমন্ত্ৰণ – ককা বিয়ালৈ গ'ল – বিয়াৰ ৰভা দিবলৈ – চোতালৰ আমলখি গছডাল কাটিলে – ককাই মনত দুখ পালে – ককাই দৰাক আশীৰ্বাদ দিলে – কিন্তু একো নাখালে – গছ থাকিলেহে মানুহ জীয়াই থাকিব ।

**নাইবা,**

(খ) তলত দিয়া যিকোনো এটা বিষয় লৈ দুশমান শব্দৰ ভিতৰত এখন ৰচনা লিখা । **12**

(i) তোমাৰ ভাল লগা যিকোনো এটা উৎসৱ

(ii) সময়ৰ মূল্য

3. "আদৰ্শ বিদ্যালয়"ত পালন কৰা স্বাধীনতা দিৱসৰ দিনটোৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । **8**

4. তলত দিয়া যিকোনো এটা ফকৰা-যোজনা বুজাই লিখা ।

(ক) অভ্যাসৰ নৰ কৰ্ণপথে কৰে শৰ

(খ) কিনা হাঁহৰ ঠোঁটলৈকে মঙহ

**নাইবা,**

(গ) তোমাৰ পৰীক্ষাৰ পিছৰ কালছোৱা কেনেদৰে কটাবা সেই বিষয়ে জনাই তোমাৰ বন্ধুলৈ এখন চিঠি লিখিবা । (চিঠিত তোমাৰ নাম আৰু ঠিকনা সাংকেতিক আখৰত লিখিবা ।) **5**

## SECTION – C

5. (ক) অনুসন্ধান শব্দটোত থকা উপসৰ্গ বাচি উলিয়াই লিখা । **1**

(খ) তলত দিয়া যিকোনো এটা অনুসৰ্গ ব্যৱহাৰ কৰি বাক্যৰচনা কৰা - চোন, দেই **1**

(গ) ডাৰি(1) চিন ব্যৱহাৰ কৰি এটা বাক্যৰচনা কৰা । **1**

(ঘ) এটা শব্দত প্ৰকাশ কৰা - **1**

যি কৰ্মত বীৰৰ তুল্য :

(ঙ) বিপৰীতাৰ্থক শব্দ লিখা : আন্ধাৰ **1**

(চ) লিংগ পৰিবৰ্তন কৰা : পুৰুষ **1**

(ছ) শুদ্ধ উত্তৰটো লিখা - **1**

মিছলীয়া = মিছ + অলীয়া / মিছ + লীয়া / মিছা + অলীয়া

www.careerindia.com

(জ) সন্ধি ভাঙা - (যিকোনো দুটাৰ) **1 × 2 = 2**

(i) সজ্জন

(ii) বৃষ্টি

(iii) নিৰাকাৰ

(ঝ) বাক্য শুদ্ধ কৰা - **1 × 2 = 2**

(i) সি মোক গালি দিছে ।

(ii) অহাকালি মই ঘৰলৈ যাম ।

(ঞ) বাক্য পৰিৱৰ্তন কৰা - **1 × 2 = 2**

(i) যিসকল কৰ্তব্যপৰায়ণ (হয়) তেঁওলোকেই সফলতা লাভ কৰে । (সৰল বাক্যলৈ)

(ii) লাচিতে মোগলক জয় কৰি গুৱাহাটীৰ পৰা খেদি দিলে । (যৌগিক বাক্যলৈ)

(ট) সমাৰ্থক শব্দ লিখা - (এটাকৈ) **1 × 2 = 2**

(i) ঘৰ

(ii) আকাশ

## SECTION – D

**(গদ্যভাগ)**

6. তলত দিয়া যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা – **4 × 2 = 8**

(ক) "আত্মাৰ ফলক-কাঁচত প্ৰতিফলিত হ'ব নোৱাৰা সৃষ্টিত কোনো সূক্ষ্মতম পদাৰ্থই নাই ।" কথাষাৰৰ তাৎপৰ্য ব্যাখ্যা কৰা ।

(খ) "বিশেষ এক ঔদ্যোগিক আবেষ্টনীৰ মাজত বসবাস কৰিবলৈ লোৱা কাৰণেও থলুৱা সংস্কৃতিৰ পৰা আঁতৰিও পৰিল" – ইয়াত কি ঔদ্যোগিক আবেষ্টনীৰ কথা উল্লেখ কৰিছে আৰু কোনে, কিহৰ বাবে আঁতৰি পৰাৰ কথা কৈছে ?

(গ) কাহিনীভাগৰ সৈতে "মূল্যবোধ" নামটো উচিত হৈছেনে বিচাৰ কৰা ।

(ঘ) শিক্ষালাভৰ সময়ত নিউটন কেনে ধৰণৰ সমস্যাৰ সন্মুখীন হৈছিল বুজাই লিখা ।

7. চমু উত্তৰ দিয়া - (যে কোনো এটাৰ) **2 × 1 = 2**

(ক) কেলিবান কোন আছিল ?

(খ) চমু টোকা লিখা – লোকগীত

(গ) পবিনৰ কইনাজনীৰ নাম কি আছিল ? তাইক পবিনে ক'ত লগ পাইছিল ?

(ঘ) নিউটনৰ "প্ৰিন্‌চিপিয়া" গ্ৰন্থখনৰ বিষয়ে লিখা ।

CAREERINDIA

**(পদ্যভাগ)**

8. উত্তৰ লিখা – (যি কোনো এটা) **4 × 1 = 4**

(ক) প্ৰসংগ সংগতি দৰ্শাই বাখ্যা কৰা -

তোমাৰ চৰণ দুই মোৰ মহা ধন
ভকত জনেৰ নিজ তুমিসে জীৱন ।

(খ) দেও মাৰি পাৰ হৈ জীৱই আছে চাই ।
চোৰা চোৰা জীৱসকল ভেলৰে বিলাই । বুজাই লিখা -

(গ) “ বহাগীৰ বিয়া” কবিতাটোৰ মূলভাৱ লিখা ।

(ঘ) ভাৰতবৰ্ষত বিভিন্নতাৰ মাজত ঐক্য “মোৰ দেশ মানুহৰ দেশ” কবিতাটোৰ মাজেৰে কেনেদৰে প্ৰকাশ পাইছে ? – বুজাই লিখা ।

9. চমু উত্তৰ দিয়া - (যি কোনো দুটাৰ) **2 × 2 = 4**

(ক) চমু টোকা লিখা-পলাশী

(খ) ওজাপালিৰ বিষয়ে লিখা ।

(গ) জিকিৰত কিহৰ প্ৰতিধ্বনি শুনা যায় ?

(ঘ) অসমীয়া ব্ৰজাৱলী ভাষা কাক বোলে ?

10. এশাৰীত উত্তৰ লিখা - (যিকোনো দুটাৰ) **1 × 2 = 2**

(ক) মাধৱ দেৱৰ দ্বাৰা ৰচিত এখন নাটকৰ নাম লিখা ।

(খ) “তিৰ্বেপী” বুলি কাক কোৱা হৈছে ?

(গ) ৰঘুনাথ চৌধাৰীৰ দ্বাৰা ৰচিত কবিতাপুথি এখনৰ নাম লিখা ।

(ঘ) “ওঙ্কাৰ” শব্দৰ অৰ্থ লিখা ।

অতিৰিক্ত পাঠ

www.careerindia.com

11. যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখা । **2 × 1 = 2**

(ক) বলায়ে কিয় প্ৰেৰণাইতৰ ঘৰত কাম কৰিবলগা হৈছিল ?

(খ) জিলমিলে কিয় বেলেগ এখন স্কুললৈ যাব ওলাইছিল ?

12. এশাৰীত উত্তৰ লিখা - **1 × 3 = 3**

(ক) ভাওনাত বকাসুৰৰ ভাও কোনে লৈছিল ?

(খ) চৈধ্য নৱেম্বৰৰ দিনটো কি দিৱস ৰূপে পালন কৰা হয় ?

(গ) হোটেলৰ পৰা ওলাই আহোতে প্ৰেৰণাহতে কাক দেখিছিল ?

---

www.careerindia.com

www.careerindia.com